## ১.৮ ভাৰতত বিজ্ঞাপন

ভাৰতত বিজ্ঞাপনৰ ইতিহাস ভাৰতীয় প্ৰেছ মাধ্যমৰ ইতিহাসৰ সমানেই পুৰণি। ভাৰতীয় উপমহাদেশৰ প্ৰথম বাতৰি কাকতখন আছিল 'বেংগল গেজেট' অথবা 'কলিকতা জেনেৰেল এডভাৰ্টাইজাৰ'। ১৭৮০ চনৰ ২৯ জানুৱাৰীত জেমছ আগষ্টাচ হিকীয়ে ইয়াৰ প্ৰথম সংখ্যাটো প্ৰকাশ কৰিছিল। আৰম্ভনিতে বাতৰি-কাকতখনত জন্ম, মৃত্যু, নতুন নিযুক্তি, জাহাজ বন্দৰত প্ৰৱেশ কৰা আৰু প্ৰস্থান কৰাৰ সময়, আচবাব-পত্ৰৰ বিক্ৰী আদিৰ ঘোষণা প্ৰকাশ কৰা হৈছিল। ঊনবিংশ শতিকাৰ আৰম্ভনিত বিজ্ঞাপনৰ আৰ্হিয়ে এটা স্পষ্ট পৰিৱৰ্তনৰ ইংগিত দিছিল। আনকি দৈনিক বাতৰি কাকতবোৰেও নিজৰ আত্মপ্ৰকাশৰ দিন ঘোষণা কৰিবলৈ বিজ্ঞাপনৰ সহায় লৈছিল। প্ৰচলিত আলোচনীবোৰত এনে বিজ্ঞাপন ছপা হৈছিল। ব্যৱসায়-বাণিজ্যৰ বিকাশৰ লগে লগে বিজ্ঞাপনৰ ক্ষমতাও দ্ৰুত গতিত বৃদ্ধি পাইছিল। ১৮৩০ চন মানলৈ ভাৰতত নিয়মীয়াকৈ প্ৰায় ৩৬ খনমান বাতৰি-কাকত আৰু বিভিন্ন সময়সীমাৰ ভিতৰত প্ৰকাশিত আলোচনীৰ অস্তিত্ব আছিল। নতুন উদ্যোগৰ উত্থান ঘটাৰ লগে লগে বিজ্ঞাপনৰ সংখ্যাও বাঢ়িছিল। আনকি বৃটিছ কোম্পানীবিলাকেও বিজ্ঞাপনৰ সহায় লৈছিল। ভাৰতত বিজ্ঞাপনৰ বিকাশক স্বদেশী আন্দোলন (১৯২০-২২ চন) ৰ লগত সাঙোৰা হয়। ই ভাৰতীয় উদ্যোগবোৰৰ বিষয়ে প্ৰচাৰ কৰাত মুখ্য ভূমিকা লৈছিল। মহাত্মা গান্ধীয়ে স্বদেশীৰ সংজ্ঞা দাঙিধৰি কৈছিল যে " ই হ'ল উপভোক্তাৰ প্ৰতি এক আহ্বান যাতে তেওঁলোক দৰিদ্ৰতা সৃষ্টি কাৰী, শ্ৰমিক-মানুহ তথা অন্য প্ৰাণাৰ অপকাৰ সাধনকাৰী উদ্যোগবোৰক কৰা সমৰ্থনৰ ফলত সৃষ্টি হোৱা হিংসা সম্পৰ্কে সজাগ হ'ব পাৰে।'

দ্য ইণ্ডিয়ান এডভাৰ্টাইজিং এজেন্সী হ'ল ভাৰতৰ প্ৰথমটো বিজ্ঞাপন এজেন্সী। বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত এই এজেন্সীটোৱে আত্মপ্ৰকাশ কৰিছিল। ১৯০৫ চনত মুম্বাইৰ গীৰগামত স্থাপন কৰা বি. দত্তাৰাম এণ্ড কোম্পানীক ভাৰতৰ আন এটা সবাতোকৈ পুৰণি বিজ্ঞাপন এজেন্সী বুলি ধৰা হয়। ১৯০৯ চনত দ্য কলিকাতা এডভাৰ্টাইজিং এজেন্সী গঠন কৰা হৈছিল। এই সময়ছোৱাৰ দুটামান প্ৰধান বিজ্ঞাপনদাতা আছিল স্পেনচাৰ্চ, আৰ্মি এণ্ড নেভী, হোৱাইটৱে' এণ্ড লেইডল ইত্যাদি। বিপণন প্ৰচাৰ হিচাপে ব্যৱহৃত খুচুৰা ব্যৱসায়ীৰ কেটাল'গবোৰক বিজ্ঞাপনৰ প্ৰাৰম্ভিক উদাহৰণ বুলিব পাৰি। আজি আমাৰ সকলোৰে পৰিচিত 'পেটেণ্ট মেডিচিনজ্' আছিল বিজ্ঞাপনদাতাসকলৰ এটা শ্ৰেণী। ১৮৮৩ চনত পেটেণ্ট লাভ কৰা প্ৰথম 'মল্টেড' গাখীৰৰ ব্ৰেণ্ডটো আছিল হৰ্লিক্স।

১৯২০ চনৰ দশকলৈ ভাৰতৰ প্ৰায়বোৰ প্ৰধান চহৰতে বহুকেইটা বিজ্ঞাপন এজেন্সীয়ে কাম আৰম্ভ কৰিছিল। ইয়াৰে দুটামান উল্লেখযোগ্য এজেন্সীৰ নাম হ'ল মাদ্ৰাজৰ মডাৰ্ন পাব্লিচিটি কোম্পানী, বোম্বে আৰু কলিকতাৰ চেণ্ট্ৰেল পাব্লিচিটি চাৰ্ভিচ আৰু তিৰুছিৰাপল্লীৰ অৰিয়েণ্টেল এডভৰ্টাইজিং এজেন্সী। ১৯৩১ চনত ভাৰতৰ প্ৰথমটো পূৰ্ণাংগ বিজ্ঞাপন এজেন্সী 'নেশ্যনেল

এডভাৰ্টাইজিং চাৰ্ভিচ' স্থাপন কৰা হৈছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাচৰ সময়ছোৱাত বিজ্ঞাপনৰ ব্যৱসায় উন্নততৰ আৰু সম্প্ৰসাৰিত হৈছিল। ১৯৫১ চনত ভাৰতীয় বিজ্ঞাপনদাতা সমাজ আৰু ১৯৫৮ চনত বিজ্ঞাপন অনুশীলনকাৰীৰ সমাজ গঠিত হৈছিল। উন্নতমানৰ বিজ্ঞাপন প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ পোষকতা কৰিবলৈ বোম্বে আৰু কলিকতাত এডভাৰ্টাইজিং ক্লাব গঠন কৰা হৈছিল।

বজাৰ গৱেষণা আৰু পাঠক সমীভাবোৰে বিজ্ঞাপন উদ্যোগক আৰু অধিক বৃত্তিমূলক কৰি তুলিছে। টেলিভিছন ৰেটিং পইণ্ট (TRP)-এ বিজ্ঞাপন এজেন্সীবোৰক উপভোক্তা দৰ্শকৰ পচন্দ-অপচন্দৰ পৰিসাংখ্যিক ডেটাৰ যোগান ধৰে। ইয়াৰ সহায়ত এজেন্সীবোৰে ফলপ্ৰসূ প্ৰচাৰ মাধ্যম পৰিকল্পনা আৰু বিজ্ঞাপন অভিযান সৃষ্টি কৰে। বহুৰঙী ছপাকামৰ প্ৰচলন, উন্নত মানৰ ছপা যন্ত্ৰ আৰু ব্যৱসায়িক কলাৰ বিকাশে বিজ্ঞাপনৰ ব্যৱসায়ক এক নতুন মাত্ৰা প্ৰদান কৰিছে। বিজ্ঞাপন এজেন্সীবোৰে নিজৰ সেৱাৰ পৰিসৰ বহল কৰিছে। ইয়াৰ আঁৰৰ কাৰণটো হ'ল অন্য প্ৰচাৰ মাধ্যমবোৰৰ অভূত পূৰ্ব বিকাশ। বিজ্ঞাপন এজেন্সীবোৰে বাতৰি কাকত তথা আলোচনীৰ স্থান বিক্ৰী- কৰাৰ লগতে নানা শিল্পকৰ্মও যোগান ধৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ উপৰি এজেন্সীবোৰে মেলা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰাৰ লগতে বজাৰ গৱেষণাও কৰিবলৈ লৈছে।

১৯৪৮ চনত মুদ্ৰা কমিউনিকেশ্যনচ্-এ ভাৰতৰ প্ৰথমখন লোক ইতিহাসমূলক ধাৰাবাহিক 'বুনিয়াদ' প্ৰস্তুত কৰিছিল। ধাৰাবাহিকখন দূৰদৰ্শন যোগে সম্প্ৰচাৰিত হৈছিল। 'বুনিয়াদ' আছিল ভাৰতৰ প্ৰথমখন মেগা চ'প, অৰ্থাৎ, বিশাল পৰিসৰত প্ৰস্তুত টেলিভিছন ধাৰাবাহিক। ১৯৯১ চনত ভাৰতীয় দৰ্শকক লক্ষ্য কৰি লোৱা চেটেলাইট ছেনেল 'জী টিভি য়ে অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ কৰিছিল। ১৯৯৫ চনলৈ কেবল আৰু চেটেলাইট ছেনেলবোৰৰ লগতে ছপা প্ৰকাশনবোৰৰ মাত্ৰাধিকাই প্ৰচাৰ মাধ্যমত এক বিস্ফোৰণ ঘটাইছিল। এই দশকটোতে বিভিন্ন কোম্পানী আৰু বিজ্ঞাপন এজেন্সীয়ে পৃষ্ঠপোষকতাৰ নতুন ধাৰাৰ সৃষ্টি কৰি জনসম্পৰ্ক ৰক্ষা আৰু বিভিন্ন অনুষ্ঠান আয়োজন কৰাৰ আৰ্হিবোৰৰ আমূল পৰিৱৰ্তন সাধন কৰিছিল। নিৰ্দিষ্ট প্ৰকাৰৰ বিজ্ঞাপন বিচাৰিব পৰা ৱেবচাইটৰ বিকাশ ঘটিল। এনে এটা ৱেবচাইটৰ নাম হ'ল এজেন্সী এফ এ কিউচ্ (বৰ্তমান afaqs)।